# শিক্ষাৰ অধিকাৰ আইন, ২০০৯

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ...**

- ৬-১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ ৮ বছৰীয়া **বিনামূলীয়া আৰু বাধ্যতামূলক** প্ৰাথমিক শিক্ষা নিশ্চিত কৰিব লাগিব।
- যদিহে ৬ বছৰৰ উৰ্ধৰ কোনো শিশুক বিদ্যালয়ত নামভৰ্তি কৰোৱা হোৱা নাই বা কোনোবাই যদি প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰিছে, তেনেহ'লে সেই শিশুক বয়স অনুসৰি নিৰ্দিষ্ট শ্ৰেণীত নামভৰ্তি কৰিব লাগিব।
- নাম ভৰ্তিৰ বেলিকা শিশু, পিতৃ-মাতৃ অথবা অভিভাৱকৰ বাছনি পৰীক্ষা লব নোৱাৰিব।
- নাম ভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণপত্ৰ অন্তৰায় হ'ব নোৱাৰিব।
- ভাষা, ধৰ্ম, লিঙ্গ, জাতি, বাধাগ্ৰস্ততা নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ আৰু শিক্ষা নিশ্চিত কৰিব লাগিব।
- কোনো শিশুকে নিৰ্দিষ্ট শিক্ষাবৰ্ষত পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ নকৰাকৈ ৰখাই থ'ব নোৱাৰিব বা প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব।
- ৬ - ১৪ বছৰৰ কোনো শিশুকে শাৰীৰিক শাস্তি আৰু মানসিক নিৰ্যাতন দিব নোৱাৰিব।
- বিদ্যালয়ত সকলো শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ষমতানুযায়ী শিশুকেন্দ্ৰিক শিক্ষণ-শিকন ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু শিকন অৰ্হতা নিৰ্ণয় কৰিবলৈ অবিৰত সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰিব লাগিব।
- বিদ্যালয় বহিৰ্ভূত সকলো শিশুকে চিনাক্ত কৰি বিদ্যালয়মুখী কৰিবলৈ যত্নপৰ হ'ব আৰু অৰ্হতা অৰ্জনৰ অৰ্থে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। এনে প্ৰচেষ্টা প্ৰব্ৰজনকাৰী শিশুৰ ক্ষেত্ৰতো ল'ব লাগিব।
- শিক্ষকে ঘৰুৱা শিক্ষকতা কৰা কাৰ্যৰ পৰা বিৰত থাকিব।
- বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলকো সম সুবিধা, নিৰাপত্তা আৰু সম্পূৰ্ণ অংশগ্ৰহণেৰে প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণী পৰ্যন্ত ন্যূনতম কৰ্মদিন ২০০ আৰু ৪০০ ঘন্টা পাঠদান। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত ন্যূনতম ২২০ দিন আৰু ১০০০ ঘন্টা পাঠদান হোৱাটো নিশ্চিত কৰিব।
- **প্ৰতি গৰাকী শিক্ষকে সপ্তাহত ৪৫ ঘণ্টা অৰ্থাৎ দৈনিক গড় হিচাপে ৭ ঘণ্টা ৩০ মিনিট বিদ্যালয়ত অতিবাহিত কৰিব লাগিব। দৈনিক সময় তালিকাৰ বাহিৰেও অতিৰিক্ত সময়খিনি শিক্ষক সকলে শিক্ষণীয় দিশৰ প্ৰস্তুতি অৰ্থাৎ পিছৰ দিনৰ বাবে পাঠ পৰিকল্পনা, শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰস্তুতি আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী আৰু গৃহকৰ্ম মূল্যায়ন কৰা, অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়াকৰণৰ বাবে অভিভাৱকসকলক যোগাযোগ কৰা, বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনা ৰূপায়নৰ কৰ্মসূচী ঠিক কৰা আৰু শৈক্ষিক দিশত সমানে আগবাঢ়িব নোৱৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় দিশসমূহৰ অগ্ৰগতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।**

# শিক্ষকসকলৰ প্ৰতি

- ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ খতিয়ান পত্ৰখন সঠিকভাৱে পূৰণ কৰাটো প্ৰতিজন শিক্ষকৰে মৌলিক দায়িত্ব।
- এই খতিয়ান পত্ৰখনত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীপৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ সকলো দিশৰ তথ্য বিতংভাৱে লিপিবদ্ধ থাকিব। ছাত্ৰ-ছাত্ৰীয়ে আন বিদ্যালয়ত নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত সেই একেখন খতিয়ান পত্ৰই প্ৰযোজ্য হ'ব। এই ক্ষেত্ৰত বিদ্যালয়ৰ প্ৰধান শিক্ষক গৰাকীয়ে প্ৰয়োজনীয় আৰু সময়োচিত ব্যৱস্থা গ্ৰহণ কৰিব।
- বিদ্যায়তনিক দিশত শিক্ষকে প্ৰতিটো বিষয়ৰ প্ৰতিটো পাঠৰ শিকন দিশসমূহ ছাত্ৰ-ছাত্ৰীয়ে কিমান আয়ত্ত কৰিছে তাক পৰ্যৱেক্ষণ কৰি ব্যক্তিগত টোকাবহীত লিপিবদ্ধ কৰিব। আনহাতে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত-সামাজিক গুণৰাজিৰ বিকাশ সন্দৰ্ভত শিক্ষকে নিজস্ব পৰ্যৱেক্ষণৰ ভিত্তিত মাহেকীয়া মতামত দিনলিপিত লিপিবদ্ধ কৰিব।
- পৰ্যৱেক্ষণৰ ভিত্তিত শিক্ষকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত গঠনমূলক মন্তব্য দিয়া বাঞ্ছনীয়। যদি কোনো দিশত ছাত্ৰ-ছাত্ৰীৰ অধিক বিকাশৰ প্ৰয়োজন আছে তেনেহ'লে শিক্ষকে 'তেওঁ এই দিশত পিছপৰা' বুলি মন্তব্য দিয়াতকৈ 'এই দিশত অধিক যত্নৰ প্ৰয়োজন আছে' বুলি মন্তব্য দিয়া উচিত।
- শিক্ষকে তলত উল্লেখ কৰা ধৰণে গ্ৰেডসমূহ খতিয়ান পত্ৰত ব্যৱহাৰ কৰিব।

**(ক)** বিদ্যায়তনিক দিশৰ গ্ৰেডসমূহ হ'ল A⁺, A, B⁺, B, C⁺, C, D

| | | | |
|---|---|---|---|
| গ্ৰেড A⁺ | — (৯১-১০০) % | গ্ৰেড C⁺ | — (৫১-৬০) % |
| গ্ৰেড A | — (৮১-৯০) % | গ্ৰেড C | — (৪১-৫০) % |
| গ্ৰেড B⁺ | — (৭১-৮০) % | গ্ৰেড D | — (৪১% আৰু ৪০% ৰ তলত) |
| গ্ৰেড B | — (৬১-৭০) % | | |

প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান পত্ৰত শিক্ষকে সামগ্ৰিক বিকাশ সন্দৰ্ভত তলত দিয়া ধৰণে মন্তব্য আগবঢ়াব—

**পৰ্যায় ১** ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপ আকাঙ্খিত পৰ্যায়ত সমাধা কৰাৰ বাবে সহায়ৰ আৱশ্যক আছে।

**পৰ্যায় ২** ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপৰ ধাৰণা আছে যদিও সম্পাদন কৰাত অসুবিধা পায়।

**পৰ্যায় ৩** ঃ কৰিবলৈ দিয়া কাৰ্য নিজাববীয়াকৈ সম্পাদন কৰিব পাৰে।

**পৰ্যায় ৪** ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপতকৈও জটিল কাৰ্য সম্পাদন কৰিব পাৰে।

উল্লিখিত পৰ্যায়সমূহ শিক্ষকে তলত দিয়া চিহ্নৰ দ্বাৰা উপস্থাপন কৰিব পাৰে—

**পৰ্যায় ১ ঃ** △ **পৰ্যায় ২ ঃ** ▽ **পৰ্যায় ৩ ঃ** ✱ **পৰ্যায় ৪ ঃ** □

- শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা ব্যক্তিগত আৰু সামাজিক গুণৰাজি সন্দৰ্ভত শিক্ষকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক পৰ্যৱেক্ষণ কৰি প্ৰতি সপ্তাহে নিজস্ব দিনলিপিত লিপিবদ্ধ কৰি থ'ব। পৰৱৰ্তী পৰ্যায়ত গোট মূল্যায়নৰ সময়ত কেওটা দিশ সামৰি খতিয়ান পত্ৰত মতামত দাঙি ধৰিব।

  পৰ্যবেক্ষণ কৰি মন্তব্য দিবলগীয়া ব্যক্তিগত সামাজিক গুণৰাজিৰ দিশ কেইটা হৈছে - নিয়মানুৱৰ্তিতা, বয়োজ্যেষ্ঠ লোকৰ প্ৰতি সন্মান প্ৰদৰ্শন, প্ৰতিবন্ধীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন, সত্যবাদিতা, অনুশাসন, সময়ানুৱৰ্তিতা, সমমৰ্মিতা, সহযোগিতা, মনোযোগ, মনোভাৱ যেনে - (ক) নিজৰ প্ৰতি, সহযোগীৰ প্ৰতি (খ) শিক্ষকৰ প্ৰতি, আবেগ নিয়ন্ত্ৰণ, নেতৃত্ববোধ অন্যান্য।

- 'ক' শ্ৰেণীৰ শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে শিশুসকলক বিদ্যালয়মুখী কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰা, শিশুৰ সৰ্বাংগীন বিকাশত অৰিহনা যোগোৱা আৰু পৰৱৰ্তী পৰ্যায়ৰ আনুষ্ঠানিক শিক্ষাৰ বাবে শিশুসকলক প্ৰস্তুত কৰি তোলা। নিঃসন্দেহে এই উদ্দেশ্যসমূহ সফল কৰাৰ দায়িত্ব শিক্ষকসকলৰ। কণ কণ শিশুসকলৰ বাবে বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ চিনাকি আৰু বন্ধুত্বসুলভ কৰি তোলাতো শিক্ষকসকলৰ প্ৰাথমিক দায়িত্ব যাতে শিশুৱে নিজৰ ঘৰখনৰ দৰে বিদ্যালয়খনৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিব পাৰে। এবাৰ শিশু বিদ্যালয়মুখী হোৱাৰ পাছত বিদ্যালয়ৰ পৰিৱেশ তথা কাম-কাজ তেওঁলোকৰ মনত গভীৰভাৱে ৰেখাপাত কৰে আৰু পৰৱৰ্তী শৈক্ষিক পৰিৱেশৰ সৈতে অতি সহজে তেওঁলোকক আত্মীয় কৰি তোলে।

  'ক' শ্ৰেণীৰ শিশুসকলৰ মূল্যায়নৰ বেলিকাও শিক্ষকে শিশুসকলৰ সামগ্ৰিক দিশৰ বিকাশৰ ওপৰত আলোকপাত কৰিব লাগিব। খতিয়ান পত্ৰ পূৰণৰ সময়ত শিক্ষকে প্ৰতিগৰাকী শিশুৰ ক্ষেত্ৰত উদ্‌গণিমূলক মন্তব্য আগবঢ়াব যাতে সেই মন্তব্যই শিশুৰ লগতে পিতৃ-মাতৃ তথা অভিভাৱকসকলকো উৎসাহিত কৰে। শিশুসকলৰ নিয়মীয়া ক্ৰিয়া-কলাপৰ প্ৰতি আগ্ৰহ আৰু অংশগ্ৰহণ তথা বিভিন্ন ব্যক্তিগত-সামাজিক গুণৰাজি সম্পৰ্কে শিক্ষকে তথ্য লিপিবদ্ধ কৰি ৰাখিব আৰু নিৰ্ধাৰিত সময়ত খতিয়ান পত্ৰ পূৰণ কৰি পিতৃ-মাতৃ/অভিভাৱকক অৱগত কৰিব।

- প্ৰাথমিক পৰ্যায়ৰ বাবে শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা অনুযায়ী গোট মূল্যায়নসমূহ অনুষ্ঠিত কৰিব। মূল্যায়নৰ অন্তত বিষয়ভিত্তিক লাভ কৰা নম্বৰসমূহ গ্ৰেডলৈ ৰূপান্তৰ কৰি খতিয়ান পত্ৰত লিপিবদ্ধ কৰিব।
- প্ৰতিটো গোট মূল্যায়নৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ বিষয়ে পিতৃ-মাতৃ/অভিভাৱকক জনাব।
- প্ৰত্যেক বিষয়ৰ গোট মূল্যায়নৰ নম্বৰ যোগ কৰি পোৱা নম্বৰৰ ওপৰত ভিত্তি কৰি গড় গ্ৰেড প্ৰদান কৰিব।
- এই খতিয়ান পত্ৰৰ প্ৰ-পত্ৰ-২ত থকা ছাত্ৰ-ছাত্ৰীৰ শৰীৰ ও স্বাস্থ্য সম্বন্ধীয় তথ্যসূচীৰ তথ্যসমূহ চৰকাৰীভাৱে গৃহীত হোৱা প্ৰতিযেধক সূচীৰ অন্তৰ্গত। সেয়েহে সেই প্ৰ-পত্ৰ চৰকাৰীভাৱে মনোনীত চিকিৎসকৰ দ্বাৰা পূৰণ কৰিব। অৱশ্যে এই গোটেই তথ্যসমূহ নামভৰ্তিৰ সময়তো কৰিব পাৰে।

# প্ৰ-পত্ৰ - ১
## ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত দিশৰ তথ্যসূচী

| | | |
|---|---|---|
| নাম | ঃ | ................................ |
| বয়স | ঃ | ................................ |
| বিদ্যালয়ৰ নাম | ঃ | ................................ |
| শ্ৰেণী | ঃ | ................................ |
| জন্মৰ তাৰিখ (তাৰিখ/ মাহ / বছৰ)<br>(জন্মৰ প্ৰমাণ পত্ৰৰ আধাৰত) | ঃ | ................................ |
| বিদ্যালয়ত নাম ভৰ্তিৰ তাৰিখ | ঃ | ................................ |
| লিংগ | ঃ | ................................ |
| পিতৃৰ নাম | ঃ | ................................ |
| মাতৃৰ নাম | ঃ | ................................ |
| অভিভাৱকৰ নাম | ঃ | ................................ |
| মাতৃভাষা | ঃ | ................................ |
| যোগাযোগৰ ঠিকনা ঃ মাৰফৎ | ঃ | ................................ |
| গাঁও/চহৰ | ঃ | ................................ |
| ডাক-ঘৰ | ঃ | ................................ |
| শিক্ষাখণ্ড | ঃ | ................................ |
| আৰক্ষী চকী | ঃ | ................................ |
| জিলা | ঃ | ................................ |
| পিনকোড | ঃ | ☐☐☐☐☐☐ |

# প্র-পত্র - ২

## ছাত্র-ছাত্রীৰ শৰীৰ আৰু স্বাস্থ্য সম্বন্ধীয় তথ্যসূচী (ক)

শৰীৰৰ ওজন ঃ ............. কে. জি., উচ্চতা ঃ ........ ফুট ............ ইঞ্চি, তেজৰ গ্ৰুপ ঃ ...........

পাঁচ বছৰ পৰ্যন্ত প্ৰতিষেধক সূচী (সম্পূৰ্ণত '✓' চিহ্ন, অসম্পূৰ্ণত 'X' চিহ্ন দিব)

**১) জন্মতে**
- বি. চি. জি. ☐
- অ'. পি. ভি.-০ ☐
- হেপাটাইটিছ-বি-০ ☐

**২) ১ $\frac{১}{২}$ মাহত**
- অ'. পি. ভি.-১ ☐
- ডি. টি. পি.-১ ☐
- হেপাটাইটিছ-বি-১ ☐

**৩) ২ $\frac{১}{২}$ মাহত**
- অ'. পি. ভি.-২ ☐
- ডি. টি. পি.-২ ☐
- হেপাটাইটিছ-বি-২ ☐

**৪) ৩ $\frac{১}{২}$ মাহত**
- অ'. পি. ভি.-৩ ☐
- ডি. টি. পি.-৩ ☐
- হেপাটাইটিছ-বি-৩ ☐

**৫) ৯ মাহত**

সৰু আই ☐

**৬) ১ বছৰৰ ওপৰত**

জে. ই. ☐

**৭) ১৬-২৪ মাহত**
- ডি. টি. পি. বুষ্টাৰ ☐
- পলিঅ' বুষ্টাৰ ☐

**৮) ৫ বছৰ**
- ডি. টি. পি. বুষ্টাৰ ☐

**৯) ভিটামিন-এ**
- ৯ মাহ ☐
- ১৬ মাহ ☐
- ২৪ মাহ ☐
- ৩০ মাহ ☐
- ৩৬ মাহ ☐
- ৪২ মাহ ☐
- ৪৮ মাহ ☐
- ৫৪ মাহ ☐
- ৬০ মাহ ☐

নিম্নোল্লিখিত যিকোনো ধৰণৰ শাৰীৰিক বাধাগ্ৰস্ততা (আছে/নাই), যেনে—

- দৃষ্টি শক্তি ঃ ...................... ■ শ্ৰৱণ শক্তি ঃ ...................... ■ বাক্ শক্তি ঃ ......................
- ভালদৰে খোজ কাঢ়িব নোৱাৰা ঃ ......................

কাপোৰ/চুলি/নখ/দাঁত আদিৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ঃ .......................................

কোনো বিশেষ বস্তুৰ প্ৰতি বিৰাগ ঃ ........................................................................

## ছাত্ৰ-ছাত্ৰীৰ শৰীৰ আৰু স্বাস্থ্য সম্বন্ধীয় তথ্যসূচী (খ) (শ্ৰেণী..............)

ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষাৰ বাবে বিদ্যালয়লৈ যোৱা চৰকাৰী চিকিৎসকৰ স্বাস্থ্য সম্পৰ্কীয় বিৱৰণ—

তাৰিখ ঃ...................... স্বাস্থ্য সম্বন্ধীয় প্ৰাপ্ত তথ্যৰ বিৱৰণ ঃ

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

তাৰিখ ঃ...................... স্বাস্থ্য সম্বন্ধীয় প্ৰাপ্ত তথ্যৰ বিৱৰণ ঃ

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

তাৰিখ ঃ...................... স্বাস্থ্য সম্বন্ধীয় প্ৰাপ্ত তথ্যৰ বিৱৰণ ঃ

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

তাৰিখ ঃ...................... স্বাস্থ্য সম্বন্ধীয় প্ৰাপ্ত তথ্যৰ বিৱৰণ ঃ

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## প্ৰ-পত্ৰ - ৩
## ছাত্ৰ-ছাত্ৰীৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ তথ্যসূচী

| | |
|---|---|
| পৰিয়ালৰ সদস্য সংখ্যা | ঃ.................................................................................. |
| পিতৃৰ শিক্ষা | ঃ.................................................................................. |
| মাতৃৰ শিক্ষা | ঃ.................................................................................. |
| অভিভাৱকৰ শিক্ষা | ঃ.................................................................................. |
| জাতি | ঃ.................................................................................. |
| (সাধাৰণ/অনুসূচিত জাতি/অনুসূচিত জনজাতি/ধৰ্মীয়-ভাষিক সংখ্যালঘু/ অন্যান্য পিছপৰা শ্ৰেণী) | ঃ.................................................................................. |
| পৰিয়ালৰ পৰম্পৰাগত উৎসৱ-পাৰ্বন | ঃ.................................................................................. |
| সমাজৰ পৰম্পৰাগত উৎসৱ-পাৰ্বন | ঃ.................................................................................. |
| উচ্চ মাধ্যমিক বিদ্যালয়খন কিমান দূৰত অৱস্থিত | ঃ.................................................................................. |
| নাট-ঘৰ/কলাকেন্দ্ৰ/প্ৰেক্ষাগৃহ (আছে/নাই) | ঃ.................................................................................. |
| ৰাজহুৱা পুথিভঁৰাল (আছে/নাই) | ঃ.................................................................................. |
| ৰাজহুৱা খেলপথাৰ (আছে/নাই) | ঃ.................................................................................. |
| উচ্চ শিক্ষাৰ অনুষ্ঠান (আছে/নাই) | ঃ.................................................................................. |

# ক-শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান-পত্ৰ

ছাত্ৰ/ছাত্ৰীৰ নাম ঃ

| বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি | বিভিন্ন ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ | আনুষ্ঠানিক শিক্ষাৰ প্ৰতি আগ্ৰহ |
|---|---|---|
| | | |

**শিক্ষকৰ মন্তব্য** ঃ

**প্ৰাপ্ত পৰ্যায়ৰ চিহ্ন** ঃ

শ্ৰেণী শিক্ষকৰ স্বাক্ষৰ
তাৰিখ ঃ ...............................

প্ৰধান শিক্ষকৰ স্বাক্ষৰ
তাৰিখ ঃ ...................................

পিতৃ-মাতৃ/অভিভাৱকৰ স্বাক্ষৰ
তাৰিখ ঃ .....................................

# নিম্ন/উচ্চ প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ খতিয়ান পত্ৰ

ছাত্ৰ/ছাত্ৰীৰ নাম ঃ　　　　　　　　　　শ্ৰেণী ঃ　　　　　　　　　　ৰোল নং. ঃ

<table>
<tr><th colspan="5">বিদ্যায়তনিক<br>(জানুৱাৰী - ডিচেম্বৰ)</th><th colspan="2">ব্যক্তিগত-সামাজিক গুণৰাজি<br>(বৰ্ণনামূলক মন্তব্য)</th></tr>
<tr><td>বিষয়</td><td>১ম গোট<br>মূল্যায়নৰ গ্ৰেড</td><td>২য় গোট<br>মূল্যায়নৰ গ্ৰেড</td><td>৩য় গোট<br>মূল্যায়নৰ গ্ৰেড</td><td>৪ৰ্থ গোট<br>মূল্যায়নৰ গ্ৰেড</td><td rowspan="2">গোট-১</td><td rowspan="2"></td></tr>
<tr><td>ভাষা - ১</td><td></td><td></td><td></td><td></td></tr>
<tr><td>ভাষা - ২</td><td></td><td></td><td></td><td></td><td rowspan="3">গোট-২</td><td rowspan="3"></td></tr>
<tr><td>ভাষা - ৩</td><td></td><td></td><td></td><td></td></tr>
<tr><td>গণিত</td><td></td><td></td><td></td><td></td></tr>
<tr><td>বিজ্ঞান</td><td></td><td></td><td></td><td></td><td rowspan="3">গোট-৩</td><td rowspan="3"></td></tr>
<tr><td>সমাজ বিজ্ঞান</td><td></td><td></td><td></td><td></td></tr>
<tr><td>কলা শিক্ষা</td><td></td><td></td><td></td><td></td></tr>
<tr><td>শাৰীৰিক শিক্ষা</td><td></td><td></td><td></td><td></td><td rowspan="3">গোট-৪</td><td rowspan="3"></td></tr>
<tr><td>কৰ্ম শিক্ষা</td><td></td><td></td><td></td><td></td></tr>
<tr><td>গড় গ্ৰেড</td><td></td><td></td><td></td><td></td></tr>
</table>

**শিক্ষকৰ মন্তব্য** ঃ

**প্ৰাপ্ত পৰ্যায়ৰ চিহ্ন** ঃ

শ্ৰেণী শিক্ষকৰ স্বাক্ষৰ
তাৰিখ ঃ ...............................

প্ৰধান শিক্ষকৰ স্বাক্ষৰ
তাৰিখ ঃ ...................................

পিতৃ-মাতৃ/অভিভাৱকৰ স্বাক্ষৰ
তাৰিখ ঃ ......................................

# শিশুৰ অধিকাৰ সুৰক্ষা আইন, ২০০৫

**শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫ৰ ক্ষমতা আৰু কাৰ্যাৱলী—**

- প্ৰচলিত কোনো আইনৰ অধীনত বা আইনৰ দ্বাৰা প্ৰদান কৰা শিশুৰ অধিকাৰ সুৰক্ষা সম্বন্ধীয় ব্যৱস্থাসমূহ পৰীক্ষা আৰু পুনৰীক্ষণ কৰি এইসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যথাযথ পৰামৰ্শ প্ৰদান কৰা।
- আয়োগৰ সুবিধা অনুযায়ী শিশুৰ নিৰাপত্তাজনিত ব্যৱস্থাসমূহৰ কাৰ্যকৰণৰ ওপৰত ৰাজ্য চৰকাৰক সময়ে সময়ে প্ৰতিবেদন দাখিল কৰা।
- শিশুৰ কোনো অধিকাৰ উলংঘা কৰা হ'লে তাৎক্ষণিক তদন্ত সম্পাদন কৰা আৰু এনে ক্ষেত্ৰত ল'বলগীয়া কাৰ্যব্যৱস্থাৰ বাবে পৰামৰ্শ দিয়া।
- শিশুৰ অধিকাৰ বাধাগ্ৰস্ত কৰা উপাদানসমূহ, যেনে— সন্ত্ৰাসবাদ, সাম্প্ৰদায়িক হিংসা, বিদ্ৰোহ, প্ৰাকৃতিক দুৰ্যোগ, এইচ আই ভি/এইড্‌ছ, মানৱ সৰবৰাহ, অসৎ আচৰণ, উৎপীড়ন আৰু শোষণ, অশ্লীলতা আৰু বেশ্যাবৃত্তি আদিৰ দৰে অসামাজিক কাৰ্যবোৰ প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থাৱলীৰ নিৰ্দেশ দিয়া।
- যন্ত্ৰণাক্লিষ্ট শিশু, পশ্চাৎপদতা অথবা অনগ্ৰসৰতাত ভোগা শিশু, শিশু/কৈশোৰ অপৰাধত লিপ্ত হোৱা শিশু, পৰিয়ালবিহীন শিশু, কাৰাবন্দী শিশুৰ ক্ষেত্ৰত দিবলগীয়া বা পাবলগীয়া যত্ন আৰু নিৰাপত্তা সম্পৰ্কীয় দিশসমূহ চালি-জাৰি চোৱা আৰু তাৰ বাবে ল'বলগীয়া উপযোগী ব্যৱস্থাৱলী সন্দৰ্ভত নিৰ্দেশ দিয়া।
- শিশুৰ অধিকাৰ সন্দৰ্ভত সময়ে সময়ে স্বাক্ষৰিত হোৱা বিভিন্ন চুক্তি, আন্তৰ্জাতিক বিধিসমূহ অধ্যয়ন কৰা, শিশুৰ অধিকাৰ বিষয়ক কাম-কাজ, আঁচনি আৰু অন্যান্য কাৰ্যাৱলীসমূহ সময়ে সময়ে পুনৰীক্ষণ কৰি চোৱা আৰু এই কাৰ্যাৱলী তথা নীতি-নিয়মসমূহৰ প্ৰতি শিশুৰ আগ্ৰহ তথা মনোযোগ সাপেক্ষে কাৰ্যকৰী কৰাৰ নিৰ্দেশ জাৰি কৰা।
- 'শিশুৰ অধিকাৰ' শীৰ্ষক বিষয়ৰ ওপৰত গৱেষণামূলক অধ্যয়ন চলোৱা আৰু সেইমৰ্মে উচিত পদক্ষেপ গ্ৰহণ কৰা।
- শিশুৰ অধিকাৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত সংবাদ মাধ্যম, আলোচনা চক্ৰ, সজাগতামূলক কাৰ্যসূচী তথা অন্যান্য মাধ্যমৰ যোগেদি সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত প্ৰচাৰ চলোৱা আৰু অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা।
- যিকোনো অভিযোগ সন্দৰ্ভত অনুসন্ধান চলোৱা আৰু নিজাববীয়া জাননী জাৰি কৰা।

**বিঃ দ্ৰঃ** - অসম চৰকাৰে ৪ মাৰ্চ তাৰিখটোক ৰাজ্যিক ভিত্তিত **'শিশু সুৰক্ষা দিৱস'** হিচাপে পালন কৰাৰ নিৰ্দেশ জাৰি কৰিছে।